**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জম্মু-কাশ্মীৰৰ ৰামবান জিলাত চেনাব নদীৰ ওপৰত নিৰ্মাণ কৰা বিশ্বৰ সৰ্বোচ্চ ৰে'ল দলংখন উদ্বোধন কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গোলকীয় প্ৰেক্ষাপতত ভাৰতীয় যুৱকসকলৰ সাফল্যৰ সন্দৰ্ভত কৈছে যে, দেশৰ যুৱ প্ৰজন্মই বিশ্বৰ জনমানসত এটা সুকীয়া স্থান অধিকাৰ কৰিছে।

৩। মণিপুৰৰ পশ্চিম ইম্ফল আৰু বিষ্ণুপুৰ জিলাত আজি নিৰাপত্তা বাহিনীসমূহে বিভিন্ন উগ্ৰপন্থী সংগঠনৰ ৮ জন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰে।

৪। চাৰি দিনীয়া প্ৰচেষ্টাৰ অন্তত আজি ছিকিমৰ লাচেনত আবদ্ধ হৈ থকা পৰ্যটকসকলৰ উদ্ধাৰ অভিযান সম্পূৰ্ণ হৈছে।

আৰু

৫। ভাৰতীয় ক্ৰিকেট দলটো আজি পাঁচখনিয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ বাবে ইংলেণ্ডলৈ ৰাওনা হ'ব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জম্মু-কাশ্মীৰৰ ৰামবান জিলাত চেনাব নদীৰ ওপৰত নিৰ্মাণ কৰা বিশ্বৰ সৰ্বোচ্চ ৰে'ল দলংখন উদ্বোধন কৰে। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা মতে এই উদ্বোধনী অনুষ্ঠানত জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিং, মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা আৰু ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ উপস্থিত থাকে। প্ৰধানমন্ত্ৰী মোদীয়ে চেনাব দলং উদ্বোধন কৰি ত্ৰিৰংগ পতাকা উৰুৱাই। ইয়াৰ পাছত তেওঁ জম্মুৰ ৰিয়েছি জিলাত উধামপুৰ-শ্ৰীনগৰ-বাৰামুল্লা সংযোগী ৰে'ল প্ৰকল্পৰ অংশ হিচাপে দেশৰ প্ৰথম কেবল ষ্টেইড ৰে'ল ব্ৰীজ অনজি দলং মুকলি কৰে।

ইয়াৰ পূৰ্বে শ্ৰী মোদীয়ে চেনাব নদীৰ পৰা ৩৫৯ মিটাৰ উচ্চতাত নিৰ্মাণ কৰা ৰে'ল দলংখন সকলোবোৰ দিশ নিৰীক্ষণ কৰে। এহেজাৰ ৩১৫ মিটাৰ দৈৰ্ঘ্যৰ এই দলংখন প্ৰতিকূল প্ৰাকৃতিক প্ৰত্যাহ্বানৰ মাজতো শক্তিশালীভাৱে থাকিব পৰাকৈ নিৰ্মাণ কৰা হৈছে। এই দলংখনৰ গুৰুত্বপূৰ্ণ দিশটো হৈছে যে, ই জম্মু আৰু শ্ৰী নগৰৰ মাজৰ যোগাযোগ সুচল কৰি তুলিব। প্ৰধানমন্ত্ৰীয়ে লগতে কাট্ৰাত ৪৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ ভালেমান পথ প্ৰকল্পৰ ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

শ্ৰী মোদীয়ে আজি কাটৰা ৰে'ল ষ্টেচনৰ পৰা কাটৰা আৰু শ্ৰীনগৰ সংযোগী বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লৰ যাত্ৰাৰো শুভাৰম্ভ কৰে। এই বন্দে ভাৰত এক্সপ্ৰেছ মুকলি কৰাৰ পূৰ্বে তেওঁ ৰে'লখনত যাত্ৰা কৰা বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ লগতে ৰে'লৰে কৰ্মচাৰীসকলৰ সৈতেও মত বিনিময় কৰে।

প্ৰধানমন্ত্ৰীয়ে ৩৫০ কোটি টকা ব্যয়েৰে কাট্ৰাত নিৰ্মাণ কৰিবলগীয়া শ্ৰীমাতা বৈষ্ণ'দেৱী চিকিৎসা উৎকৰ্ষ প্ৰতিষ্ঠানৰো  আধাৰশিলা স্থাপন কৰিব। এইখন ৰিয়াচি জিলাৰ প্ৰথমখন চিকিৎসা মহাবিদ্যালয় হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গোলকীয় প্ৰেক্ষাপতত ভাৰতীয় যুৱকসকলৰ সাফল্যৰ সন্দৰ্ভত কৈছে যে, দেশৰ যুৱ প্ৰজন্মই বিশ্বৰ জনমানসত এটা সুকীয়া স্থান অধিকাৰ কৰিছে। ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ শাসনৰ ১১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে শ্ৰী মোদীয়ে যুৱ প্ৰজন্মক গতিশীলতা, ৰূপান্তৰ আৰু দৃঢ়তাৰ প্ৰতীক বুলি অভিহিত কৰিছে। তেওঁ কয়, যে অদম্য শক্তি আৰু দৃঢ়তাৰে যুৱ শক্তিয়ে বিগত ১১ বছৰত দেশৰ বিকাশত বিশেষ অৱদান আগবঢ়াইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ষ্টাৰ্ট আপ, বিজ্ঞান, ক্ৰীড়া, সমূহীয়া সেৱা, সংস্কৃতি আৰু বিভিন্ন খণ্ডত দেশৰ যুৱ প্ৰজন্মই উল্লেখনীয় অৱদান আগবঢ়াইছে। শ্ৰী মোদীয়ে লগতে কয়, যে বিগত ১১ বছৰত যুৱ প্ৰজন্মৰ সৱলীকৰণৰ লক্ষ্যৰে সঠিক নীতি আৰু কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তেওঁ কয়, যে যুৱ প্ৰজন্মৰ সৱলীকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ষ্টাৰ্টআপ ইণ্ডিয়া, স্কীল ইণ্ডিয়া, ডিজিটেল ইণ্ডিয়া আৰু ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ আদি ৰূপায়ণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত দেশৰ যুৱ প্ৰজন্মক সৱলীকৰণ কৰাৰ ক্ষেত্ৰত আস্থা প্ৰকাশ কৰিছে।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় দুদিনীয়া হিমাচল প্ৰদেশ ভ্ৰমণৰ অংশ হিচাপে আজি ছিমলাত উপস্থিত হয়। হেলিকপ্টাৰ যোগে ছিমলাত উপস্থিত হোৱাৰ পাছত তেওঁক ৰাজ্যপাল শিৱপ্ৰতাপ শুক্লা, মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং ছুখু, উপ-মুখ্যমন্ত্ৰী মুকেশ অগ্নিহোত্ৰীকে ধৰি ভালেমান মন্ত্ৰীকে ধৰি আৰক্ষী সঞ্চালক প্ৰধানে আদৰণি জনায়। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে আজি ৰাজভৱনত দুপৰীয়াৰ আহাৰৰ ব্যৱস্থা কৰা হৈছে। ভ্ৰমণৰ অংশ হিচাপে তেওঁ কাইলৈ ছ'লান জিলাৰ ড০ ৱাই এছ পাৰ্মাৰ বিশ্ববিদ্যালয়ত গৱেষক আৰু অধ্যাপকসকলৰ সৈতে মত বিনিময় কৰিব।

০০০০০০০০০

অপাৰেচন সিন্দূৰ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতিৰ সন্দৰ্ভত অৱগত কৰাৰ বাবে বিজেপিৰ সাংসদ ৰবীশংকৰ প্ৰসাদ নেতৃত্বাধীন সৰ্বদলীয় এটা প্ৰতিনিধি দল জাৰ্মানীত উপস্থিত হৈছে। জাৰ্মানীত থকা ভাৰতীয় ৰাষ্ট্ৰদূত অজিত গুপ্তেই বাৰ্লিনত ৯ গৰাকী ভাৰতীয় প্ৰতিনিধিক আদৰণি জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত জাৰ্মানীস্থিত ভাৰতীয় দূতাবাসে অৱগত কৰিছে যে, প্ৰতিনিধি দলটোৱে ভাৰতৰ একতা আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে থকা স্থিতিক প্ৰতিফলিত কৰিছে।

০০০০০০০০০

অসমৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নতি হৈছে যদিও  ১৬ খন জিলাৰ ৫ লাখ ৬০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। আজিৰ দিনটোত বানত কোনো লোকে প্ৰাণ হেৰুওৱা নাই বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। এই বানত ৰাজ্যখনৰ এহেজাৰ ৪০০ ৰো অধিক গাঁও ক্ষতিগ্ৰস্ত হৈছে আৰু প্ৰায় এহেজাৰ ৯০০ হেক্টৰ কৃষিভূমিৰ ক্ষতি হৈছে। অসম চৰকাৰে আজি পুৱাৰে পৰা শ্ৰীভূমি জিলাত উদ্ধাৰ অভিযানৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী নিয়োগ কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰনৰ তথ্য অনুসৰি এতিয়াও ৪১ হাজাৰতকৈ অধিক লোকে ১৭৫ টা আশ্ৰয়শিবিৰত আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ বিভিন্ন অংশত পথ,

ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈ থকাৰ বাতৰি পোৱা গৈছে। ইপিনে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনৰ অধিকাংশ অঞ্চলত পাতলিয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলী বতৰা দিছে।

০০০০০০০০০

মণিপুৰৰ পশ্চিম ইম্ফল আৰু বিষ্ণুপুৰ জিলাত আজি নিৰাপত্তা বাহিনীসমূহে বিভিন্ন উগ্ৰপন্থী সংগঠনৰ ৮ জন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰই জানিবলৈ দিয়া অনুসৰি ইয়াৰে তিনিগৰাকী ইউ পি পি কেৰ উগ্ৰপন্থী সংগঠনৰ সক্ৰিয় সদস্যক পশ্চিম ইম্ফল জিলাৰ পৰা আৰু অ' পি এল উগ্ৰপন্থী সংগঠনৰ পাঁচগৰাকী সদস্যক বিষ্ণুপুৰ জিলাৰ দুটা স্থানৰ পৰা গ্ৰেপ্তাৰ কৰা হয়।

০০০০০০০০০

চাৰি দিনীয়া প্ৰচেষ্টাৰ অন্তত আজি ছিকিমৰ লাচেনত আবদ্ধ হৈ থকা পৰ্যটকসকলৰ উদ্ধাৰ অভিযান সম্পূৰ্ণ হৈছে। বায়ু সেনা, স্থল সেনা, এন ডি আৰ এফ আৰু ৰাজ্য চৰকাৰৰ কেইবাটাও সংস্থাই যুটীয়াভাৱে এই উদ্ধাৰ অভিযান চলায়। উদ্ধাৰকাৰী দলসমূহে মাংগন জিলাৰ লাচেন আৰু ছতেনত আৱদ্ধ হৈ থকা পৰ্যটকসকলক উদ্ধাৰ কৰাৰ সময়ত অতি প্ৰতিকূল বতৰৰ সন্মুখীন হ'বলগীয়া হয়। ভূমিস্খলনৰ ফলত লাচেন আৰু লাচুঙত প্ৰায় দুহেজাৰ লোক আবদ্ধ হৈ আছিল। লাচুঙত আবদ্ধ হোৱা এহেজাৰ ৬০০ পৰ্যটককো উদ্ধাৰ কৰা হৈছে। ইপিনে ছিকিমৰ পৰ্যটন বিভাগে পৰ্যটক সকলে লাচেন আৰু লাচুঙৰ বাহিৰে ৰাজ্যখনৰ আন আন অঞ্চলসমূহ ভ্ৰমণ কৰিব পাৰিব বুলি জানিবলৈ দিছে। ৰাজ্যখনৰ অতিৰিক্ত মুখ্য সচিব চি এছ ৰাৱে কয়, যে ছিকিমত ২০০ ৰো অধিক পৰ্যটনস্থলী আছে আৰু ভূমিস্খলন হোৱা অঞ্চলকেইটাৰ বাহিৰে অন্যান্য ঠাইসমূহ ভ্ৰমণকাৰত কোনো ধৰণৰ নিষেধাজ্ঞা জাৰি কৰা হোৱা নাই।

০০০০০০০০০

ভাৰতীয় ক্ৰিকেট দলটো আজি পাঁচখনিয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ বাবে ইংলেণ্ডলৈ ৰাওনা হ'ব। ২০২৫-২৭ আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অংশ হিচাপে আয়োজন কৰা এই টেষ্ট শৃংখলা জুনৰ পৰা আগষ্টলৈ চলিব। ৰোহিত শৰ্মা আৰু বিৰাট কোহলীয়ে টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰাৰ পাছত এয়া হ'ব ভাৰতৰ প্ৰথমখন দ্বিপাক্ষিক টেষ্ট শৃংখলা। উল্লেখযোগ্য যে ২০০৭ চনৰ পৰা ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে এখনো টেষ্ট শৃংখলাত জয়লাভ কৰা নাই।

০০০০০০০০০

বেংগালুৰুৰ চিন্নাস্বামী ষ্টেডিয়ামত যোৱা বুধবাৰে জনসাধাৰণৰ হেঁচা-ঠেলাৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত কৰ্ণাটক আৰক্ষীয়ে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ মাৰ্কেটিং হেড নিখিল চ'চালে, ডি এন এ  এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ মেনেজাৰ সুনীল মেথিউ আৰু কিৰণ কুমাৰক গ্ৰেপ্তাৰ কৰিছে। কৰ্ণাটক চৰকাৰে দণ্ডাধীশ, ন্যায়িক আৰু চি আই ডিৰ তদন্তৰ ভিত্তিত আৰ চি বিৰ বিজয় উদযাপনৰ সময়ত কৰ্তব্যৰত অৱস্থাত থকা বেংগালুৰু মহানগৰ আৰক্ষী আয়ুক্ত বি দয়ানন্দকে ধৰি কেইবাগৰাকী আৰক্ষী বিষয়াক কালি নিলম্বন কৰে। কেন্দ্ৰীয় মন্ত্ৰী এইচ ডি কুমাৰস্বামী, বিজেপিৰ নেতা তথা কৰ্ণাটক বিধানসভাৰ বিৰোধী পক্ষৰ নেতা আৰ অশোকা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি বিজয়েন্দ্ৰই আজি বেংগালুৰুক এখন যুটীয়া সংবাদমেলত মুখ্যমন্ত্ৰী ছিদ্দাৰামায়া আৰু উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে আৰক্ষীৰ উপদেশ অৱমাননা কৰা বুলি অভিযোগ কৰি কয়, যে ১১ জন লোকৰ মৃত্যুৰ বাবে তেওঁলোকেই দায়ী।

০০০০০০০০০

ভাৰতৰ চিৰাগ ছেট্টি আৰু সাত্বিকসাইৰাজ ৰণকীৰেড্ডীৰ যুটীটো ইণ্ডোনেছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত আজি জাকাৰ্টাত মালয়েছিয়াৰ মেন উই ছং আৰু টি কাই ৱনৰ মুখামুখি হ'ব। ইয়াৰ পূৰ্বে চিৰাগ আৰু সাত্বিক সাইৰাজৰ যুটীটোৱে জাকাৰ্টাত অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ ৰাচমছ কেজৰ আৰু ফ্ৰেড্ৰিক ছোগাৰ্ডৰ যুটীটোক ২-১ গেমত পৰাস্ত কৰে। মহিলাৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ আগশাৰীৰ বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু থাইলেণ্ডৰ পোৰ্ণপাৱি চোছুৱঙৰ হাতত ১-২ গেমত পৰাভূত হয়। একেদৰে মহিলাৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ত্ৰিষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুঁটীটো জাপানৰ ম্যু মাৎসুমোটো আৰু য়ুকি ফুকুছিমাৰ হাতত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়।

০০০০০০০০০

কেৰেলাৰ জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা কেৰেলা প্ৰদেশ কংগ্ৰেছ কমিটিৰ প্ৰাক্তন সভাপতি থেন্নালা বালাকৃষ্ণ পিল্লাইৰ আজি পুৱা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৫ বছৰ। বৰ্ষিয়ান নেতাগৰাকী তিৰুৱানন্তপুৰমৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি হৈ আছিল।

০০০০০০০০০

সমাপ্ত